অধ্যায়-৩

# সমতা (*Equality*)



আমাৰ সংবিধানত সযত্নে ৰক্ষা কৰা সমতাৰ ধাৰণা আৰু ইয়াৰ মূল্যবোধৰ বিষয়ে এই আলোচনা কৰা হৈছে। এই ধাৰণাটো প্ৰকাশ কৰিবলৈ যাওঁতে কিছুমান প্ৰশ্ন পৰীক্ষা কৰি চোৱা হৈছে ঃ

- ❒ সমতা কি? এই নৈতিক আৰু ৰাজনৈতিক আদৰ্শটো সম্পৰ্কে আমি কিয় উদ্বিগ্ন হোৱা উচিত?
- ❒ সমতা অনুসৰণ কৰা কাৰ্যই প্ৰত্যেককে যিকোনো পৰিৱেশত একে আচৰণ কৰাকে বুজায় নেকি?
- ❒ আমি কেনেকৈ জীৱনৰ বিভিন্ন ক্ষেত্ৰত সমতাক অনুসৰণ কৰি, অসমতাক ন্যূনতম পৰ্যায়লৈ কমাব পাৰো?
- ❒ সমতাৰ বিভিন্ন দিশ— ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক দিশৰ মাজত আমি কেনেকৈ পাৰ্থক্য নিৰ্ণয় কৰিব পাৰো?

এই প্ৰশ্নসমূহ বুজি উত্তৰ দিবলৈ যাওঁতে তুমি আমাৰ সময়ৰ কিছুমান গুৰুত্বপূৰ্ণ ভাবাদৰ্শ সমাজবাদ, মাৰ্ক্সবাদ, উদাৰনৈতিকতাবাদ আৰু নাৰীত্ববাদৰ অপ্ৰত্যাশিতভাৱে সন্মুখীন হ'বা।

*এই অধ্যায়ত তুমি অসমতাৰ বিভিন্ন চৰ্ত সম্পৰ্কে তথ্য, চিত্ৰ, প্ৰতীক আদি দেখিবলৈ পাবা। এইবোৰ কেৱল তোমাৰ বাবে, যাতে তুমি অসমতাৰ প্ৰকৃতি উপলব্ধি কৰিব পাৰা ঃ তথ্য আৰু প্ৰতীকসমূহ মনত ৰখাৰ প্ৰয়োজন নাই।*

# ৰাজনৈতিক তত্ত্ব

## ৩.১ সমতাৰ কিয় আৱশ্যক? (Why Does Equality Matter?)

সমতা এটা শক্তিশালী নৈতিক আৰু ৰাজনৈতিক আদৰ্শ, যিয়ে কেইবাশতিকাজুৰি মানৱ সমাজক অনুপ্ৰাণিত আৰু পথ-প্ৰদৰ্শন কৰি আহিছে। এই ধাৰণাটো সকলো ধৰ্ম আৰু বিশ্বাসতে অন্তৰ্নিহিত হৈ আছে, যিয়ে সকলো মানুহেই ভগৱানৰ সৃষ্টি বুলি প্ৰচাৰ কৰে। এটা ৰাজনৈতিক আদৰ্শ হিচাপে সমতাই বৰ্ণ, লিঙ্গ, জাতি আৰু জাতীয়তা নিৰ্বিশেষে সকলো মানুহৰ সমান মূল্য থকাটোৱেই প্ৰতিপন্ন কৰে। মানৱ সমাজৰ উমৈহতীয়া মানৱতাবোধৰ বাবে, সমতাই সকলো মানুহে সমান গুৰুত্ব আৰু সন্মান লাভ কৰাটোও দৃঢ়ভাৱে সমৰ্থন জনায়। ইয়াৰ আঁৰত অংশীদাৰী মানৱীয়তাৰ ধাৰণা জড়িত হৈ আছে। যেনে– সাৰ্বজনীন মানৱ অধিকাৰৰ ধাৰণা অথবা মানৱতাৰ বিৰুদ্ধে অপৰাধ।

বৰ্তমান সময়ত ৰাষ্ট্ৰ আৰু আন সামাজিক অনুষ্ঠানসমূহৰ বিৰুদ্ধে চলা যিকোনো সংঘৰ্ষত সকলো সমতাক এটা সমাৰোহৰ বৰ্ণধ্বনি হিচাবে ব্যৱহাৰ কৰা হয়। কাৰণ এই অনুষ্ঠানসমূহে মানুহৰ সমাজত স্থান, সম্পদ, পদমৰ্যাদা অথবা সুযোগ অনুসৰি অসমতাক সমৰ্থন জনায়। ওঠৰ ($18^{th}$) শতিকাত ফৰাচী বিপ্লৱীসকলে, ৰাজতন্ত্ৰ আৰু অভিজাত জমিদাৰ শ্ৰেণীৰ বিৰুদ্ধে বিপ্লৱ কৰিবলৈ 'স্বাধীনতা, সমতা, ভ্ৰাতৃত্ববোধ' এই ৰণধ্বনি ব্যৱহাৰ কৰিছিল। কুৰি শতিকাত এছিয়া আৰু আফ্ৰিকা মহাদেশত ঔপনিৱেশিক শাসনৰ বিৰুদ্ধে হোৱা স্বাধীনতা সংগ্ৰামত সমতাৰ দাবীও উত্তোলিত হৈছিল। মহিলাসকল

**আমি কৰোঁ আহা**

বিভিন্ন ধৰ্মগ্ৰন্থৰ পৰা উদ্ধৃতি অনুসন্ধান কৰা, যিবোৰে সমাজৰ আদৰ্শক নিশ্চিত কৰিব পাৰে। শ্ৰেণীকোঠাত এইবোৰ পঢ়া।

মই জানো সকলোৱেই এটা ধৰ্ম বিশ্বাস কৰে। মই জানো সকলো ধৰ্মই সমতাৰ শিক্ষা দিয়ে। তেনেহ'লে পৃথিৱীত ইমান অসমতা কিয়?



আৰু দলিতসকলৰ নিচিনা আন সংঘৰ্ষীয় গোষ্ঠীসমূহ, যিয়ে সমাজত নিজকে গুৰুত্বহীন বুলি অনুভৱ কৰে, সমতাৰ দাবীক ধাৰাবাহিকভাৱে পৰিৱেশ উত্তেজিত কৰি আহিছে। বৰ্তমান সমতা এটা বিস্তৃতভাৱে গ্ৰহণযোগ্য আদৰ্শ, যাক বিভিন্ন ৰাষ্ট্ৰৰ সংবিধান আৰু আইনত অন্তৰ্ভুক্ত কৰা হৈছে।

তথাপি সমতাতকৈ অসমতাকহে আমি আমাৰ চাৰিওফালে গোটেই পৃথিৱীত আৰু আমাৰ সমাজত দেখিবলৈ পাওঁ। আমাৰ দেশত আমি বস্তি অঞ্চলৰ লগে লগে বিলাস-বহুল অট্টালিকাসমূহ, বিশ্বশ্ৰেণীভুক্ত সুবিধাৰ স্কুল, শীত-তাপ নিয়ন্ত্ৰণ শ্ৰেণীকোঠাৰ লগতে স্কুল, আনকি খোৱাপানী আৰু প্ৰস্ৰাৱ-পায়খানাৰ সুবিধা নথকা স্কুল, খাদ্যৰ অপব্যয়ৰ লগে লগে অনাহাৰো দেখিবলৈ পাওঁ। ইয়াত আইনে আমাক দিয়া প্ৰতিশ্ৰুতি আৰু আমাৰ চাৰিওফালে আমি যি দেখা পাওঁ, তাৰ মাজত স্পষ্ট পাৰ্থক্য আছে।

বিশ্ব অসমতা আৰু আমাৰ দেশৰ ভিতৰত থকা অসমতাৰ একেলগে দিয়া তথ্য তলৰ তালিকাখনত পঢ়া।

### বিশ্ব অসমতাৰ বিষয়ে দিয়া তথ্য তালিকা (Fact Sheet on Global Inequalities)

১। বিশ্বৰ ৫০জন আটাইতকৈ ধনী মানুহৰ জনমূৰি আয় ৪০ কোটি আটাইতকৈ দুখীয়া মানুহৰ আয়তকৈ বেছি।

২। বিশ্বৰ জনসংখ্যাৰ আটাইতকৈ দুখীয়া ৪০% মানুহে বিশ্ব আয়ৰ কেৱল ৫% লাভ কৰে। আনহাতে বিশ্বৰ জনসংখ্যাৰ আটাইতকৈ ধনী ১০% মানুহে বিশ্ব আয়ৰ ৫৪% নিয়ন্ত্ৰণ কৰে।

৩। প্ৰথম বিশ্বৰ উন্নত উদ্যোগপ্ৰধান ৰাষ্ট্ৰসমূহ, বিশেষকৈ উত্তৰ আমেৰিকা আৰু পশ্চিম ইউৰোপ, য'ত বিশ্বৰ জনসংখ্যাৰ ২৫% আছে, বিশ্বৰ উদ্যোগসমূহৰ ৮৬% উদ্যোগৰ গৰাকী আৰু বিশ্বৰ উৎপাদিত শক্তিৰ ৮০% ভোগ কৰে।

৪। জনমূৰি আয়ৰ ভিত্তিত উন্নত উদ্যোগপ্ৰধান ৰাষ্ট্ৰত বাস কৰা এজন নাগৰিকে চীন বা ভাৰতবৰ্ষৰ নিচিনা উন্নয়নশীল দেশৰ এজন নাগৰিকতকৈ ৩ গুণ বেছি পানী, ১০ গুণ বেছি শক্তি, ১৩ গুণ বেছি লো আৰু ষ্টীল আৰু ১৪ গুণ বেছি কাগজ ভোগ কৰে।

৫। নাইজেৰিয়াত গৰ্ভধাৰণজনিত কাৰণৰ বাবে মৃত্যুবৰণ কৰে ১ৰ পৰা ১৮ গৰাকীলৈ লোক। কিন্তু কানাডাত ১ৰ পৰা ৮,৭০০ গৰাকীলৈ।

৬। গোটেই বিশ্বৰ ইন্ধন জ্বলনৰ ফলত নিৰ্গত হোৱা কাৰ্বন-ডাই-অক্সাইডৰ তিনি ভাগৰ দুই ভাগৰ কাৰণে দায়ী প্ৰথম বিশ্বৰ উদ্যোগপ্ৰধান ৰাষ্ট্ৰসমূহ। এচিড বৰষুণৰ সৃষ্টি কৰা বিশ্বৰ তিনি-চতুৰ্থাংশ ছালফাৰ

আৰু নাইট্ৰ'জেন অক্সাইড নিঃসৰণৰ বাবেও এই ৰাষ্ট্ৰসমূহ দায়ী। উচ্চ প্ৰদূষণৰ বাবে দায়ী বহুতো উদ্যোগৰ উন্নত ৰাষ্ট্ৰৰ পৰা অনুন্নত ৰাষ্ট্ৰলৈ স্থান পৰিৱৰ্তন কৰা হৈছে।

উৎস ঃ *মানৱ বিকাশ প্ৰতিবেদন, ২০০৫, ইউ এন ডি পি (UNDP)*

### ভাৰতৰ অৰ্থনৈতিক অসমতা (Economic Inequalities in India)

২০০১ চনৰ লোকপিয়লৰ প্ৰতিবেদনমৰ্মে ইয়াত কিছুমান ঘৰুৱা সুখ-স্বাচ্ছন্দ্য আৰু সম্পত্তিৰ বিষয়ে ৰায় দাঙি ধৰা হৈছে।

তুমি এই তথ্যসমূহৰ একো মুখস্থ কৰাৰ প্ৰয়োজন নাই। মাত্ৰ এইখিনি পঢ়িবা যাতে নগৰীয়া আৰু গাঁৱলীয়া জীৱনৰ মাজত কিছুমান অসমতা আছে, তাক বুজি পোৱা। তোমাৰ নিজৰ পৰিয়াল কোন স্থানত উপযুক্ত হ'ব?

| যিবোৰ পৰিয়ালৰ আছে | গাঁৱলীয়া পৰিয়াল | নগৰীয়া পৰিয়াল | তোমাৰ পৰিয়ালৰ বাবে × নাইবা ✓ চিন দিয়া |
|---|---|---|---|
| বিজুলী সংযোগ | ৪৪% | ৮৮% | |
| ঘৰত নলৰ পানীৰ সংযোগ | ১০% | ৫০% | |
| স্নানাগাৰ থকা ঘৰ | ২৩% | ৭০% | |
| দূৰদৰ্শন | ১৯% | ৬৪% | |
| স্কুটাৰ, মপেদ, মটৰ চাইকেল | ৭% | ২৫% | |
| কাৰ, জীপ, ভেন | ১% | ৬% | |




বিশ্ব আৰু ৰাষ্ট্ৰীয় অসমতাৰ কথা কিয় কওঁ, য'ত আমাৰ চাৰিওফালেই ইমান অসমতা আছে আৰু কোনেও একো আপত্তি নকৰে? মোৰ পিতৃ-মাতৃয়ে কেনেকৈ মোতকৈ মোৰ ভাইটিক বেছি অনুগ্ৰহ কৰে মাত্ৰ তাকেই চোৱা।

আমি এনেকৈ এটা পৰস্পৰবিৰোধী সত্যৰ মুখামুখি হৈছো ঃ প্ৰত্যেকেই সমতাৰ আদৰ্শক সমৰ্থন জনায়, তথাপি প্ৰায় সকলোতে আমি অপ্ৰত্যাশিতভাৱে অসমতাৰ মুখামুখি হ'বলগীয়া হয়। আমি এখন জটিল পৃথিৱীত বাস কৰো, য'ত সুযোগ, সম্পদ, কৰ্ম-পৰিৱেশ আৰু ক্ষমতাৰ অসমতা আছে। এনেকুৱা অসমতাবোৰৰ বাবে আমি উদ্বিগ্ন হোৱা উচিতনে? এইবোৰ মানুহৰ মাজত থকা প্ৰতিভা আৰু সামৰ্থ্যৰ পাৰ্থক্যবোৰ প্ৰতিফলিত কৰাৰ লগে লগে, তেওঁলোকে সমাজৰ উন্নতি আৰু সমৃদ্ধিৰ কাৰণে আগবঢ়োৱা বিভিন্ন বৰঙণিও প্ৰতিফলিত কৰে? অথবা এই অসমতাবোৰ আমাৰ সামাজিক স্থান আৰু নীতি-

নিয়মসমূহৰ ফলাফল নেকি? এই প্ৰশ্নসমূহে বহু বছৰ ধৰি গোটেই পৃথিৱীৰ জনসাধাৰণকে বিৰক্ত কৰিছে।

এনেকুৱা ধৰণৰেই এইটো প্ৰশ্ন, যিটোৱে সমতাক ৰাজনৈতিক আৰু সামাজিক তত্ত্বৰ কেন্দ্ৰীয় বিষয় কৰি তুলিছে। ৰাজনৈতিক তত্ত্বৰ এজন ছাত্ৰই বিভিন্ন ধৰণৰ প্ৰশ্নৰ সন্মুখীন হ'ব লাগিব। যেনে, সমতাই কি বুজায়? আমি যিহেতু সুস্পষ্টভাৱেই বিভিন্ন ক্ষেত্ৰত বেলেগ, তেনেক্ষেত্ৰত আমি সমান বুলি কওঁতে কি বুজাবলৈ চেষ্টা কৰা হৈছে? আমি আমাৰ আয় আৰু পদমৰ্যদাৰ মাজত থকা সকলো পাৰ্থক্য আঁতৰাই পেলাবলৈ চেষ্টা কৰিছো নেকি? আনহাতে, আমি কেনেকুৱা ধৰণৰ সমতাৰ অন্বেষণ কৰিছো আৰু কাৰ বাবে? সমতা সম্পৰ্কে কিছুমান অন্য ধৰণৰ প্ৰশ্নও উত্থাপন হৈছে যিবোৰ আমি ইয়াত অন্তৰ্ভুক্ত কৰিছো। সেইবোৰ হ'ল— সমতাৰ মৰ্যাদা বঢ়াবলৈ আমি সকলো মানুহকে সদায় একেধৰণেৰে আচৰণ কৰা উচিত নেকি? আচৰণৰ কোনখিনি পাৰ্থক্য আৰু প্ৰতিফল গ্ৰহণযোগ্য আৰু কোনখিনি নহয়, সেইখিনি এখন সমাজে কেনেকৈ নিৰ্ণয় কৰা উচিত? লগতে, আমি কেনেকুৱা ধৰণৰ নীতিৰ অন্বেষণ কৰা উচিত, যাৰ দ্বাৰা অধিক সম-অধিকাৰৰ ভিত্তিত সমাজখন গঢ়ি তুলিব পৰা যায়?

## ৩.২ সমতা কি? (What is Equality?)




এইবোৰে বংশ আৰু বৰ্ণৰ ভিত্তিত মানুহৰ মাজত পাৰ্থক্য নিৰূপণ কৰিছে, যিটো আমাৰ বেছিভাগৰ বাবেই সমৰ্থনযোগ্য নহয়। মুঠতে এনেকুৱা পাৰ্থক্যই আমাৰ সমতা সম্পৰ্কে

থকা স্বতঃস্ফূৰ্ত উপলব্ধিক বাধাপ্ৰাপ্ত কৰে, যাৰ দ্বাৰা আমি জানো যে সকলো মানুহেই তেওঁলোকৰ উমৈহতীয়া মানৱীয়তাৰ বাবে একে ধৰণৰ সন্মান আৰু গুৰুত্ব লাভ কৰা উচিত।

সি যিয়েই নহওক, সকলোকে সমানে সন্মান জনোৱা মানে এইটো নুবুজায় যে সদায় সকলোকে একে ধৰণৰেই আচৰণ কৰিব লাগিব। কোনো সমাজেই ইয়াৰ সদস্যসকলক সকলো পৰিৱেশতে একে আচৰণ নকৰে। সমাজৰ কামবোৰ সুকলমে পৰিচালনা কৰিবৰ বাবে কৰ্ম আৰু বৃত্তিৰ বিভাজন কৰাটো প্ৰয়োজনীয় আৰু জনসাধাৰণে প্ৰায়ে ইয়াৰ বাবে বিভিন্ন মৰ্যাদা আৰু প্ৰতিফল উপভোগ কৰে। সময়ত আচৰণৰ এই বিভিন্নতা কেৱল সমৰ্থনযোগ্যই নহয়, প্ৰয়োজনীয় বুলিও বিবেচিত হয়। উদাহৰণস্বৰূপে, আমি সাধাৰণতে সৈন্য বিভাগৰ সেনাপতিসকল বা প্ৰধানমন্ত্ৰীসকলক বিশেষ পদাধিকাৰ আৰু মৰ্যাদা দিয়াটো সমতাৰ বিপৰীতে যোৱা বুলি নাভাবো, যদিহে তেওঁলোকৰ এই সুবিধাসমূহ অপপ্ৰয়োগ নহয়। কিন্তু কিছুমান অন্য ধৰণৰ অসমতা অন্যায় যেন বোধ হয়। উদাহৰণস্বৰূপে, যদিহে এটা শিশু বস্তি অঞ্চলত জন্মগ্ৰহণ কৰাৰ বাবেই পুষ্টিকৰ আহাৰ আৰু ভাল শিক্ষাৰ পৰা বঞ্চিত হ'ব লগা হয়, তাৰ কোনো দোষ নোহোৱাকৈয়ে এইটো আমাৰ বাবে অন্যায় যেন লাগিব।


এতিয়া উত্থাপিত প্ৰশ্নটো হ'ল কোনবোৰ পাৰ্থক্য আৰু মতানৈক্য গ্ৰহণযোগ্য আৰু কোনবোৰ নহয়? যেতিয়া জনসাধাৰণক বিভিন্ন আচৰণ কৰা হয় কেৱল তেওঁলোকে এটা বিশেষ ধৰ্ম, বংশ, জাতি আৰু লিঙ্গত জন্মগ্ৰহণ কৰা বাবেই, তেতিয়া আমি এইটোক অসমৰ্থনযোগ্য অসমতা বুলি কওঁ। কিন্তু মানুহে বিভিন্ন উচ্চাকাংক্ষা আৰু লক্ষ্যৰে অন্বেষণ কৰিব পাৰে আৰু সকলোৱে সমানে কতৃকাৰ্য নহ'বও পাৰে। যেতিয়ালৈকে তেওঁলোকে নিজৰ মাজত থকা ভালখিনি বিকাশ কৰিব পাৰে, তেতিয়ালৈকে আমি সমতা অৱনমিত হোৱা বুলি অনুভৱ নকৰো। কিছুমান ভাল সংগীতজ্ঞ হ'ব পাৰে, আনহাতে বাকীবোৰ সমানেই জনা-শুনা নহ'বও পাৰে, কিছুমান বিখ্যাত বিজ্ঞানী হ'ব পাৰে। আনহাতে বাকীবোৰে তেওঁলোকৰ কঠোৰ পৰিশ্ৰম আৰু বিবেক-বুদ্ধিসম্পন্ন হোৱাৰ বাবেও জানিব পাৰে। সমতাৰ আদৰ্শ লৈ অংগীকাৰ কৰাটোৱে সকলো বিভিন্নতাক নোহোৱা কৰাটো নুবুজায়। ই কেৱল পৰামৰ্শ দিয়ে যে আমি যি আচৰণ লাভ কৰো আৰু সুবিধা উপভোগ কৰে, সেইখিনি সামাজিক পৰিৱেশ আৰু জন্মৰ ভিত্তিত পূৰ্বনিৰ্ধাৰিত হ'ব নালাগে।

## সুবিধাৰ সমতা (Equality of Opportunities)

সমতা ধাৰণাটোৱে ইয়াকে বুজায় যে সকলো জনসাধাৰণেই মানুহ হিচাপে সমান অধিকাৰ আৰু সুযোগ লাভ কৰাৰ বাবে উপযুক্ত, তেওঁলোকৰ পাৰদৰ্শিতা আৰু প্ৰতিভাক বিকাশ কৰাৰ বাবে আৰু তেওঁলোকৰ লক্ষ্য আৰু উচ্চাকাংক্ষাক পূৰণ কৰাৰ বাবে। এইটোৱে ইয়াকে বুজায় যে এখন সমাজত জনসাধাৰণৰ পছন্দ আৰু অগ্ৰাধিকাৰৰ ক্ষেত্ৰত পাৰ্থক্য থাকিব পাৰে। তেওঁলোকৰ বিভিন্ন প্ৰতিভা আৰু পাৰদৰ্শিতা থাকিব পাৰে, যাৰ কাৰণে কিছুমান নিজৰ পছন্দৰ ভিত্তিত আনতকৈ বেছি কৃতকাৰ্য হয়। কিন্তু মাত্ৰ কেইজনমান সৰ্বজয়ী ক্ৰিকেটাৰ বা কৃতকাৰ্য আইনজীৱীৰ বাবে এইটো ভবা উচিত নহয় যে সমাজখন অসমতাৰ ভিত্তিত প্ৰতিষ্ঠিত। আনহাতে, স্থান বা সম্পদ অথবা সুবিধাৰ অসমতা ইমান গুৰুত্বপূৰ্ণ নহয়। কিন্তু শিক্ষা, স্বাস্থ্য আৰু নিৰাপদ বাসস্থানৰ ক্ষেত্ৰত জনসাধাৰণে যদি সমানে সুবিধা লাভ কৰিব নোৱাৰে, তেতিয়া সমাজখন অন্যায় অসমতাৰ ভিত্তিত প্ৰতিষ্ঠিত সমাজলৈ পৰিণত হয়।

## প্ৰাকৃতিক আৰু সামাজিক অসমতা (Natural and Social Inequalities)

ৰাজনৈতিক তত্ত্বত কেতিয়াবা প্ৰাকৃতিক অসমতা আৰু সমাজসৃষ্ট অসমতাৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰা হয়। প্ৰাকৃতিক অসমতাবোৰ হ'ল যিবোৰ মানুহৰ মাজত সৃষ্টি হয় তেওঁলোকৰ সামৰ্থ্য আৰু প্ৰতিভাৰ বিভিন্নতাৰ বাবে। এনেকুৱা অসমতা সমাজসৃষ্ট অসমতাতকৈ পৃথক, যিবোৰ সৃষ্টি হয় এখন সমাজত, কিছুমান গোষ্ঠীক আনে শোষণ কৰাৰ বাবে সুযোগ-সুবিধাৰ অসমতাৰ বাবে।




মানুহৰ মাজত থকা জন্মগত বিভিন্ন বৈশিষ্ট্য আৰু সামৰ্থ্যৰ প্ৰতিফল হৈছে প্ৰাকৃতিক অসমতাসমূহ। এইটো সাধাৰণতে ধৰি লোৱা হয় যে প্ৰাকৃতিক অসমতাসমূহ কেতিয়াও

সলনি কৰিব নোৱাৰি। আনহাতে সামাজিক অসমতাসমূহ সেইবোৰ যিবোৰ, সমাজে সৃষ্টি কৰে। কিছুমান সমাজে উদাহৰণস্বৰূপে শাৰীৰিক পৰিশ্ৰম কৰাসকলতকৈ বুদ্ধি-বৃত্তিৰ কাম কৰাসকলক বেছি মূল্য দিব পাৰে আৰু তেওঁলোকক পৃথককৈ পুৰস্কাৰ প্ৰদান কৰিব পাৰে। সেইবোৰ সমাজে বংশ, বৰ্ণ, লিংগ আৰু জাতি অনুসৰি জনসাধাৰণক পৃথককৈ আচৰণ কৰিব পাৰে। এনেকুৱা ধৰণৰ বিভিন্নতাই সমাজৰ মূল্যবোধক প্ৰতিফলিত কৰে আৰু তাৰে কিছুমান নিশ্চয় আমাৰ বাবে অন্যায় বুলি পৰিগণিত হ'ব পাৰে।

এই বিভেদসমূহে কেতিয়াবা আমাক সমাজত থকা সমৰ্থনযোগ্য আৰু অন্যায়-অসমতাৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰাত সহায় কৰিব পাৰে। কিন্তু এইবোৰ সদায় সুস্পষ্ট নহয়। উদাহৰণস্বৰূপে, যেতিয়া মানুহৰ আচৰণৰ ক্ষেত্ৰত থকা কিছুমান অসমতা বহু আগৰ পৰাই চলি আছে তেতিয়া আমাৰ বাবে ন্যায়সংগত যেন লাগিব পাৰে। যিহেতু সেইবোৰ প্ৰাকৃতিক অসমতাৰ ওপৰত প্ৰতিষ্ঠিত, ইয়াৰ অৰ্থ হ'ল মানুহে যিবোৰ বৈশিষ্ট্যৰ সৈতে জন্মগ্ৰহণ কৰে, সেইবোৰ সহজে পৰিৱৰ্তন কৰিব নোৱাৰি। যেনে, বহু আগৰ পৰাই স্ত্ৰী-জাতি দুৰ্বল, ভীৰু আৰু পুৰুষতকৈ কম বুদ্ধি-বৃত্তিসম্পন্ন, সেইবাবে বিশেষ সুৰক্ষাৰ প্ৰয়োজন বুলি পৰিগণিত হৈ আহিছে। সেই কাৰণে মহিলাক সম-অধিকাৰ নিদিয়াটো ন্যায়সংগত বুলি ভবা হৈছিল। আফ্ৰিকাত থকা ক'লা লোকসকলক (Black People) তেওঁলোকৰ ঔপনিৱেশিক গৰাকীসকলে কম বুদ্ধি-বৃত্তিসম্পন্ন, শিশুসুলভ আৰু শাৰীৰিক পৰিশ্ৰম, খেলা-ধূলা আৰু গান-বাজনাত শ্ৰেষ্ঠ বুলি গণ্য কৰে। দায়িত্বৰ দৰে অনুষ্ঠানে এই বিশ্বাসক ন্যায়সংগত বুলি প্ৰতিষ্ঠা কৰিছিল। এই গোটেই মূল্যাংকনবোৰৰ ওপৰত এতিয়া প্ৰশ্ন উঠিছে। মানুহৰ জন্মগত বৈশিষ্ট্যতকৈ ৰাষ্ট্ৰ আৰু জনসাধাৰণৰ মাজত থকা ক্ষমতাৰ পাৰ্থক্যৰ বাবে এতিয়া এইবোৰক সমাজসৃষ্ট বিভাজন হিচাপে গণ্য কৰা হয়।

প্ৰাকৃতিক পাৰ্থক্যৰ ক্ষেত্ৰত উদ্ভৱ হোৱা আৰু এটা সমস্যা হ'ল যে কিছুমান পাৰ্থক্য যিবোৰ প্ৰাকৃতিক বুলি ধাৰণা কৰা হয়, সেইবোৰ অপৰিৱৰ্তনীয় বুলি গণ্য কৰিব নালাগে। উদাহৰণস্বৰূপে, বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ উন্নতিয়ে বহুতো অক্ষম লোকক সমাজত সক্ৰিয়ভাৱে কাম-কাজ কৰাত সহায় কৰিছে। আজি কম্পিউটাৰে অন্ধসকলক চকা লগোৱা আসন, কৃত্ৰিম অঙ্গ-প্ৰত্যঙ্গই শাৰীৰিকভাৱে অক্ষম লোকসকলক সহায় কৰিছে, আনকি এজন ব্যক্তিৰ মুখাকৃতি প্ৰসাধানিক অস্ত্ৰোপচাৰ

(cosmetic surgery)ৰ দ্বাৰা সলনি কৰিব পৰা যায়। বিখ্যাত পদাৰ্থ বিজ্ঞানী ষ্টিফেন হকিঙে (Stephen Hawking) ভালকৈ খোজকাঢ়িব আৰু কথা ক'ব নোৱাৰিছিল। কিন্তু তেওঁ বিজ্ঞানলৈ মহৎ অৱদান আগবঢ়াইছে। আজি বেছিভাগ মানুহৰ বাবে এইটো অন্যায় যেন বোধ হব যদিহে শাৰীৰিকভাবে অক্ষম লোকসকলক তেওঁলোকৰ অক্ষমতাক প্ৰতিৰোধ কৰাৰ বাবে প্ৰয়োজনীয় সহায় আগবঢ়োৱা নহয় আৰু তেওঁলোক প্ৰাকৃতিকভাৱেই কম সমৰ্থৱান বুলি যদি তেওঁলোকক কৰ্মৰ উপযুক্ত পুৰস্কাৰ প্ৰদান কৰা নহয়।

এই সকলোবোৰ জটিলতাৰ বাবে প্ৰাকৃতিক আৰু সমাজ সৃষ্ট অসমতাৰ পাৰ্থক্যক এটা মান হিচাপে ব্যৱহাৰ কৰাটো অসুবিধা হ'ব, যাৰ দ্বাৰা এখন সমাজৰ আইন আৰু নীতিৰ মূল্যাংকন কৰিব পৰা যায়। সেই কাৰণেই বহু তত্ত্ববিদে আজি আমাৰ পছন্দৰ ফলত সৃষ্টি হোৱা অসমতা আৰু ব্যক্তিয়ে জন্মগ্ৰহণ কৰা পৰিয়াল বা পৰিৱেশৰ ফলত কাম কৰা অসমতাৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰে। এই পিছৰটো সমতাৰ সমৰ্থকসকলৰ কাৰণে এটা উদ্বেগৰ উৎস আৰু যিটো তেওঁলোকে হ্ৰাস কৰিব বা নোহোৱা কৰিব বিচাৰে।

### ৩.৩ সমতাৰ তিনিটা দিশ (Three Dimentions of Equality)

কেনেকুৱা ধৰণৰ সামাজিক পাৰ্থক্য গ্ৰহণযোগ্য নহয়, সেইখিনি গুৰুত্ব দিয়াৰ পিছত সমাজৰ বিভিন্ন দিশবোৰ যিখিনি আমি গ্ৰহণ কৰিব পাৰো বা সমাজত লাভ কৰিব বিচাৰো সেই সম্পৰ্কে সোধাটো প্ৰয়োজন। সমাজত থকা বিভিন্ন অসমতাবিলাক চিনাক্ত কৰাৰ পিছত, বিভিন্ন চিন্তাবিদ আৰু ভাবাদৰ্শই সমতাৰ তিনিটা প্ৰধান দিশ, যেনে— ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক দিশৰ বিষয়ে উপস্থাপন কৰিছে। সমতাৰ এই প্ৰতিটো দিশকে সম্বোধন কৰিহে আমি এখন অধিক ন্যায় আৰু সফলতাৰ ভিত্তিত প্ৰতিষ্ঠিত সমাজৰ ফালে আগুৱাই যাব পাৰো।

### ৰাজনৈতিক সমতা (Political Equality)

গণতান্ত্ৰিক সমাজত ৰাজনৈতিক সমতাই ৰাষ্ট্ৰৰ সকলো সদস্যক সমানে গুৰুত্ব দিয়াটো বুজায়। তুমি নাগৰিক অধ্যায়টোত পঢ়িবলৈ পাবা যে— সম অধিকাৰে কিছুমান সাধাৰণ অধিকাৰ যেনে— ভোটদানৰ অধিকাৰ, মত প্ৰকাশ, ঘূৰা-পকা আৰু সমৱেত হোৱাৰ স্বাধীনতা আৰু বিশ্বাসৰ স্বাধীনতাক বুজায়। এই অধিকাৰসমূহ জনসাধাৰণে নিজক

বিকাশ কৰাৰ কাৰণে আৰু ৰাষ্ট্ৰৰ বিভিন্ন কাৰ্যত অংশগ্ৰহণ কৰাৰ কাৰণে প্ৰয়োজনীয় বুলি গণ্য কৰে। কিন্তু সেইবোৰ সংবিধান আৰু আইনে প্ৰদান কৰা আইনগত অধিকাৰ। আমি জানো যে যিবোৰ ৰাষ্ট্ৰত সকলো নাগৰিকক সমান অধিকাৰ দিয়া হয় তেনেকুৱা ৰাষ্ট্ৰতো কিছু পৰিমাণে অসমতা থাকিব পাৰে। এই অসমতাবোৰ প্ৰায়ে সম্পদ আৰু সুযোগৰ পাৰ্থক্যৰ প্ৰতিফল, যিবোৰ সামাজিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত নাগৰিকৰ বাবে অপৰ্যাপ্ত পৰিমাণে আছে। এই কাৰণেই প্ৰয়াসমান সুযোগৰ বাবে অথবা 'এখন সমান খেলপথাৰৰ বাবে' দাবী কৰি অহা হৈছে। আমি এইটো মনত ৰখা উচিত হ'ব যে যদিও ৰাজনৈতিক আৰু আইনগত সমতা এখন ন্যায় আৰু গণসমাজ সৃষ্টিৰ বাবে যথেষ্ট নহ'ব পাৰে, কিন্তু এইখিনি নিঃসন্দেহে ইয়াৰ গুৰুত্বপূৰ্ণ উপাদান হ'ব পাৰে।

## সামাজিক সমতা (Social Equality)

ৰাজনৈতিক সমতা বা আইনৰ দৃষ্টিত সমতা এইটো হৈছে সমতা আহৰণৰ গুৰুত্বপূৰ্ণ প্ৰথম পদক্ষেপ। কিন্তু ইয়াৰ লগত প্ৰায়ে সুযোগৰ সমতা সংযোগ সাধন কৰিবলগীয়া হয়। আইনগত বাধা আঁতৰাবৰ প্ৰথমবিধ সমতাৰ প্ৰয়োজন, যিটোৱে জনসাধাৰণক চৰকাৰৰ কাৰ্যত মাত মতাৰ পৰা বাহিৰত ৰাখিব পাৰে আৰু প্ৰাপ্য সামাজিক বস্তু লাভ কৰাটো অস্বীকাৰ কৰিব পাৰে। সমতাৰ অনুসৰণে দাবী কৰে যে বিভিন্ন গোষ্ঠী আৰু সম্প্ৰদায় মানুহৰো সেই বস্তু আৰু সুযোগসমূহ লাভ কৰাৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিবলৈ এটা ভাল আৰু সমান সুবিধা থাকিব লাগে। তাৰ কাৰণে সামাজিক আৰু অৰ্থনৈতিক অসমতাৰ প্ৰভাৱবোৰক কমোৱাটো প্ৰয়োজনীয় আৰু সমাজৰ সকলো সদস্যকে অন্যান্য বস্তুৰ মাজত জীৱনৰ ন্যূনতম চৰ্তসমূহ নিশ্চিত কৰি দিব লাগে— পৰ্যাপ্ত স্বাস্থ্যৰ যত্ন, ভাল শিক্ষাৰ সুবিধা, পৰ্যাপ্ত পুষ্টি আৰু ন্যূনতম মজুৰি, এই সুবিধাসমূহৰ অবিহনে সমাজৰ সকলো মানুহৰ কাৰণে সমানভাৱে প্ৰতিদ্বন্দ্বিতা কৰাত যথেষ্ট অসুবিধাৰ সৃষ্টি হ'ব। য'ত সুযোগৰ সমতা নাথাকে, তেনে সমাজত যথেষ্ট পৰিমাণে সম্ভাব্য প্ৰতিভা অবাবতে নষ্ট হৈ যাব।

ভাৰতবৰ্ষত সমান সুযোগৰ ক্ষেত্ৰত এটা বিশেষ সমস্যাৰ সৃষ্টি হৈছে কেৱল কিছুমান সুবিধা নোহোৱাৰ বাবে নহয়, কিন্তু ৰাষ্ট্ৰৰ বিভিন্ন প্ৰান্তত চলা অথবা বিভিন্ন গোষ্ঠীৰ মাজত কিছুমান পৃথক ৰীতি-নীতিৰ বাবে। উদাহৰণ স্বৰূপে, মহিলাসকলে কিছুমান গোষ্ঠীৰ মাজত উত্তৰাধিকাৰ সূত্ৰে সমান অধিকাৰ উপভোগ কৰিব নোৱাৰিব পাৰে, অথবা মহিলাসকলে

কিছুমান কাৰ্যত অংশগ্ৰহণ কৰাৰ ক্ষেত্ৰত সামাজিক বাধা থাকিব পাৰে, অথবা তেওঁলোকক আনকি সমান আইনগত অধিকাৰ দিবও পাৰে, ৰাজহুৱা স্থান বা নিয়োগৰ ক্ষেত্ৰত মহিলাসকলৰ ওপৰত চলা শোষণ আৰু নিৰ্যাতন বন্ধ কৰিব পৰাকৈ আইন প্ৰণয়ন কৰিববৰ বাবে, শিক্ষাৰ বিকাশৰ বাবে উৎসাহিত কৰা, অথবা মহিলাৰ বাবে কিছু বৃত্তি ৰখা, আৰু তেনেকুৱা অন্য প্ৰচেষ্টা। কিন্তু সামাজিক গোষ্ঠীসমূহ আৰু ব্যক্তিসকলৰো এইক্ষেত্ৰত এটা ভূমিকা আছে সচেতনতা বৃদ্ধিৰ ক্ষেত্ৰত আৰু যিয়ে অধিকাৰ উপভোগ কৰিব বিচাৰে তেওঁলোকক সহায় কৰাত।

## অৰ্থনৈতিক সমতা (Economic Equality)

একেবাৰে সৰলভাৱে, আমি কম যে যিখন সমাজত ব্যক্তি অথবা শ্ৰেণীৰ সম্পদ, সম্প্ৰতি আৰু আয়ৰ ক্ষেত্ৰত পাৰ্থক্য থাকে, তাতেই অসমতা থাকে। এখন সমাজত থকা অৰ্থনৈতিক অসমতাক জোখাৰ এটা উপায় হ'ব ধনী আৰু দুখীয়া গোষ্ঠীৰ মাজত থকা পাৰ্থক্য নিৰ্ণয় কৰা আন এটা প্ৰচেষ্টা হ'ব পাৰে দাৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা মানুহৰ সংখ্যা গণনা কৰা। অৱশ্যে সম্পদ আৰু আয়ৰ ক্ষেত্ৰত এখন সমাজত সম্ভৱ চৰম সমতা কেতিয়াও সৃষ্টি হোৱা নাছিল। আজি বেছিভাগ গণতন্ত্ৰই জনসাধাৰণক সমান

### আলোচনা কৰো আহা

মহিলাসকলক সেনাবাহিনীৰ যুদ্ধৰত শিবিৰত অংশগ্ৰহণ কৰি একেবাৰে উচ্চতম পৰ্যায়লৈ যাবলৈ অনুমতি দিব লাগে।

তলৰ তালিকাত উল্লিখিত বিভিন্ন সম্প্ৰদায়ৰ মাজত থকা শিক্ষাগত প্ৰাপ্তিৰ ক্ষেত্ৰত থকা পাৰ্থক্যসমূহ গুৰুত্বপূৰ্ণনে? এই পাৰ্থক্যসমূহ ঘটনাক্ৰমেহে হৈছিল নেকি? অথবা এই পাৰ্থক্যসমূহে জাতি ব্যৱস্থাৰ কাৰ্যক আঙুলিয়াই নেকি? জাতি ব্যৱস্থাৰ বাহিৰে আৰু কি কাৰকে ইয়াত কাৰ্য কৰিছে?

**নগৰ অঞ্চলত উচ্চ শিক্ষাৰ ক্ষেত্ৰত জাতি-সম্প্ৰদায়ৰ অসমতা**


| জাতি-সম্প্ৰদায় | প্ৰতি এহাজাৰ ব্যক্তিৰ মাজত স্নাতকৰ সংখ্যা |
|---|---|
| অনুসূচিত জাতি | ৪৭ |
| মুছলমান | ৬১ |
| হিন্দু অন্যান্য পিছপৰা শ্ৰেণী | ৮৬ |
| অনুসূচিত জনজাতি | ১০৯ |
| খ্ৰীষ্টান | ২৩৭ |
| শিখ | ২৫০ |
| হিন্দু উচ্চ শ্ৰেণী | ২৫৩ |
| অন্য ধৰ্মাৱলম্বী | ৩১৫ |
| সৰ্বভাৰতীয় গড় | ১৫৫ |

*উৎস ঃ ৰাষ্ট্ৰীয় নমুনা জৰীপ সংগঠন ৫৫তম জৰীপ, ১৯৯৯-২০০০*

# ৰাজনৈতিক তত্ত্ব

ব্যঙ্গ চিত্ৰখন পঢ়া

*আমেৰিকা যুক্তৰাষ্ট্ৰত জাতিগত অসমতা*




*আমেৰিকা যুক্তৰাষ্ট্ৰত আৰু বেছি বৰ্ণগত অসমতা বিচাৰি উলিওৱা। আমাৰ দেশত কোন গোষ্ঠী বা গোষ্ঠীবোৰে একেই অসমতাত ভুগিছে? এই অসমতা কমাবলৈ আমেৰিকাত কেনেকুৱা নীতি গ্ৰহণ কৰা হৈছে? তেওঁলোকৰ অভিজ্ঞতাৰ পৰা কিবা শিকিবলগীয়া আছে নেকি? আমাৰ অভিজ্ঞতাৰ পৰা তেওঁলোকে কিবা শিকিব পাৰে নেকি?*

সুযোগ দিব বিচাৰে এইটো বিশ্বাসত যে অন্ততঃ যিসকলৰ প্ৰতিভা আৰু সংকল্প আছে, ইয়ে তেওঁলোকৰ অৱস্থাৰ উন্নতি কৰাৰ সুযোগ দিব। সমান সুযোগৰ লগে লগে মানুহৰ মাজত অসমতাও থাকিব পাৰে, কিন্তু যথেষ্ট প্ৰচেষ্টাৰে মানুহে সমাজত নিজৰ অৱস্থাৰ উন্নতি কৰাৰ সম্ভাৱনা আছে।

অসমতা যিখিনি পৰীক্ষাৰ দ্বাৰা পৰিবেষ্টিত হৈছে, যিখিনি যুগ-যুগ ধৰি আপেক্ষিকভাৱে স্পৰ্শ নোহোৱাকৈ আছে, সেইখিনি এখন সমাজৰ বাবে বেছি ভয়াৱহ। যদি এখন সমাজত কিছুমান শ্ৰেণীৰ মানুহে বংশানুক্ৰমে ধৰি এক বুজনসংখ্যক সম্পদ আৰু শক্তি উপভোগ কৰে, আৰু সেইখিনি তেওঁলোকৰ লগতে যায় তেতিয়াহ’লে সমাজখন বিভাজিত হ’ব, এই শ্ৰেণীবোৰ আৰু যিসকল বংশানুক্ৰমে দুখীয়া হৈ আছে সেইবোৰৰ মাজত। তেনেকুৱা বিভিন্নতাই সময়ত গৈ প্ৰতিৰোধ আৰু হিংসাৰ সৃষ্টি

## নাৰীত্ববাদ (Feminism)



নাৰীত্ববাদ হৈছে পুৰুষ আৰু মহিলাৰ মাজত সম-অধিকাৰৰ বাবে থকা এটা ৰাজনৈতিক মতবাদ। নাৰীত্ববাদীসকল সেইবোৰ পুৰুষ আৰু মহিলা, যিয়ে বিশ্বাস কৰে যে সমাজত পুৰুষ আৰু মহিলাৰ মাজত দেখা বেছিভাগ অসমতাই প্ৰয়োজনীয়ও নহয়, প্ৰাকৃতিকো নহয় আৰু সেইবোৰ সলনি কৰিব পৰা যায় যাতে পুৰুষ আৰু মহিলা দুয়ো মুক্ত আৰু সমান জীৱন নিৰ্বাহ কৰিব পাৰে।

নাৰীত্ববাদীসকলৰ মতে সমাজত থকা নাৰী আৰু পুৰুষৰ অসমতা হৈছে পিতৃতান্ত্ৰিক সমাজৰ প্ৰতিফলন। এই প্ৰতিশব্দই এনেকুৱা এটা সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক ব্যৱস্থাক বুজায় যিয়ে মহিলাতকৈ পুৰুষক বেছি মূল্য আৰু ক্ষমতা দিয়ে। পিতৃতন্ত্ৰই এইটো ধৰি লয় যে পুৰুষ আৰু মহিলা প্ৰকৃতিগতভাৱে বিভিন্ন আৰু এই বিভিন্নতাই সমাজত তেওঁলোকৰ অ-সমস্থান ন্যায়সংগত কৰিছে। নাৰীত্ববাদীসকলে চিন্তাৰ এই পাৰ্থক্যটোৰ ওপৰত প্ৰশ্ন তুলিছে লিঙ্গৰ বিভিন্নতা আনি যে পুৰুষ আৰু মহিলাৰ মাজত জৈৱিক বিভিন্নতা আৰু 'লিঙ্গ' যিটোৱে পুৰুষ আৰু মহিলাই সমাজত কি ভূমিকা পালন কৰিব সেইটো নিৰ্ধাৰণ কৰে। উদাহৰণস্বৰূপে, জৈৱিক সত্য যে কেৱল মহিলাইহে গৰ্ভৱতী হৈ সন্তান ধাৰণ কৰিব পাৰে আৰু তাৰ বাবেই এইটো নহয় যে সন্তান জন্ম হোৱাৰ পিছতো কেৱল তেওঁলোকেই প্ৰতিপালনৰ দায়িত্ব বহন কৰা উচিত। নাৰীত্ববাদীসকলে আমাক দেখুৱাই দিছে যে পুৰুষ আৰু মহিলাৰ মাজত থকা বেছিভাগ অসমতাই সমাজসৃষ্ট, প্ৰকৃতিয়ে সৃষ্টি কৰা নহয়।

পিতৃতন্ত্ৰই কৰ্মবিভাজনৰ সৃষ্টি কৰিছে, যাৰ দ্বাৰা মহিলাসকলক 'ব্যক্তিগত' আৰু 'ঘৰুৱা' বিষয়ৰ বাবে দায়বদ্ধ আৰু পুৰুষসকলক 'ৰাজহুৱা' দিশত দায়বদ্ধ বুলি ধৰি লোৱা হয়। নাৰীত্ববাদীসকলে এই বিভিন্নতাৰ ওপৰত প্ৰশ্ন উঠাই আঙুলিয়াইছে যে বেছিভাগ মহিলাই ৰাজহুৱা ক্ষেত্ৰতো যথেষ্ট সক্ৰিয়। তাৰ অৰ্থ এইটোৱেই যে গোটেই বিশ্বৰ বেছিভাগ মহিলাই ঘৰৰ বাহিৰতো কিছু কৰ্মত নিয়োজিত। কিন্তু ঘৰুৱা কামতো কেৱল মহিলা সম্পূৰ্ণৰূপে দায়বদ্ধ। তথাপি, নাৰীবাদীসকলে কোৱাৰ দৰে এই 'দ্বৈত ভূমিকা' পালন কৰাৰ পিছতো ৰাজহুৱা ক্ষেত্ৰত সিদ্ধান্ত গ্ৰহণত মহিলাসকলক একেবাৰে কম বা মাত মাতিব দিয়া হোৱা নাই। নাৰীত্ববাদীসকলে বিতৰ্ক কৰিছে যে এই ৰাজহুৱা/ব্যক্তিগত পাৰ্থক্য আৰু সকলো ধৰণৰ লিঙ্গভিত্তিক অসমতাক নোহোৱা কৰিব পৰা যায় আৰু কৰা উচিত।



# ৰাজনৈতিক তত্ত্ব

কৰিব পাৰে। সম্পদশালী লোকৰ শক্তিৰ বাবে তেনেকুৱা এখন সমাজক সংশোধন কৰি বেছি মুক্ত আৰু সম-সমাজ কৰাটো কষ্টকৰ প্ৰমাণিত হ'ব পাৰে।

**আমি কৰোঁ আহা**

সকলো সামাজিক আৰু অৰ্থনৈতিক অসমতাৰ এখন তালিকা প্ৰস্তুত কৰা, যাতে তুমি তোমাৰ স্কুলৰ ছাত্ৰসকলৰ ক্ষেত্ৰত এইটো লক্ষ্য কৰিব পাৰা

মাৰ্ক্সবাদ আৰু উদাৰনৈতিকতাবাদ আমাৰ সময়ৰ দুটা গুৰুত্বপূৰ্ণ ৰাজনৈতিক ভাবাদৰ্শ। মাৰ্ক্স ১৯ শতিকাৰ এজন গুৰুত্বপূৰ্ণ চিন্তাবিদ আছিল যিয়ে যুক্তি দৰ্শাইছিল যে পৰীক্ষাৰ দ্বাৰা পৰিবেষ্টিত অসমতাৰ মূল কাৰণ হ'ল অৰ্থনৈতিক সম্পদ যেনে— তেল, মাটি নাইবা বনাঞ্চল আৰু তেনেকুৱা ধৰণৰ আন সম্পত্তিৰ ব্যক্তিগত মালিকীস্বত্ব। তেওঁ আঙুলিয়াই দিছিল যে তেনেকুৱা ধৰণৰ ব্যক্তিগত মালিকীস্বত্বই কেৱল মালিক শ্ৰেণীকেই সম্পদশালী নকৰে, ই তেওঁলোকক ৰাজনৈতিক ক্ষমতাও প্ৰদান কৰে। তেনেকুৱা ক্ষমতাই তেওঁলোকক ৰাষ্ট্ৰৰ আইন আৰু নীতিত প্ৰভাৱ পেলোৱাত সহায় কৰে, আৰু ই গণতান্ত্ৰিক চৰকাৰৰ বাবে এটা ত্ৰাসৰ কাৰণ হিচাপে প্ৰমাণিত হ'ব পাৰে। মাৰ্ক্সবাদী আৰু সমাজবাদীসকলে অনুভৱ কৰে যে অৰ্থনৈতিক অসমতাই আন আন সামাজত অসমতাকো প্ৰভাৱান্বিত কৰে যেনে— স্থান বা সুবিধাৰ ক্ষেত্ৰত পাৰ্থক্য। সেইকাৰণে সমাজত অসমতাৰ সমাধান কৰিবৰ কাৰণে আমি সমানে সুযোগ দিয়াৰ বাহিৰেও প্ৰয়োজনীয় সম্পদ আৰু বিভিন্ন ধৰণৰ সম্পত্তিৰ ওপৰত ৰাজহুৱা নিয়ন্ত্ৰণ থকাটো আমি চেষ্টা কৰিব লাগে আৰু নিশ্চিত কৰিব লাগে। তেনেকুৱা মতবোৰ বিতৰ্কিত। যিবোৰে কিছুমান গুৰুত্বপূৰ্ণ সমস্যা উত্তোলিত কৰিছে, যিবোৰ সমাধান কৰাটো প্ৰয়োজনীয়।

উদাৰনৈতিক তত্ত্বত এটা বিৰোধী ধাৰণা বিচাৰি পোৱা যায়। উদাৰনীতি-বিদসকলে সমাজত সম্পদ আৰু পুৰস্কাৰ বিতৰণৰ এটা সক্ৰিয় আৰু ন্যায়সঙ্গত উপায় হিচাবে প্ৰতিযাগিতাৰ নীতিক তুলি ধৰিছে। তেওঁলোকে বিশ্বাস কৰিছিল যে সকলোকে সমান সুবিধা আৰু জীয়াই থকাৰ ন্যূনতম মান প্ৰদানৰ প্ৰচেষ্টা কৰিবলৈ আৰু নিশ্চিত কৰিবৰ বাবে ৰাষ্ট্ৰই হস্তক্ষেপ কৰিবলগীয়া হ'ব পাৰে আৰু ই নিজে নিজে সমাজত ন্যায় আৰু সমতা প্ৰতিষ্ঠা কৰিব নোৱাৰে। মুক্ত আৰু ভাল পৰিৱেশত মানুহৰ মাজত প্ৰতিযোগিতা হৈছে সমাজত পুৰস্কাৰ বিতৰণৰ আটাইতকৈ সক্ৰিয় আৰু ন্যায়িক পথ। তেওঁলোকৰ মতে, যেতিয়ালৈকে প্ৰতিযোগিতা খোলা আৰু মুক্ত

**সমাজবাদ (Socialism)**

সমাজবাদে কিছুমান ৰাজনৈতিক ধাৰণাক নিৰ্দেশ কৰে, যিখিনি আৱিৰ্ভাৱ হৈছে বৰ্তমানে থকা অসমতাৰ প্ৰত্যুত্তৰ হিচাপে আৰু পুনৰ উৎপত্তি হৈছে, ঔদ্যোগিক অৰ্থনীতিৰ ফল হিচাপে। সমাজবাদৰ প্ৰধান উদ্বেগৰ কাৰণ হ'ল কেনেকৈ অসমতাক কমাই সম্পদক ন্যায়সঙ্গতভাৱে বিতৰণ কৰিব পৰা যায়। যদিও সমাজবাদৰ প্ৰবক্তাসকলে বজাৰৰ সম্পূৰ্ণ বিৰোধিতা নকৰে, তেওঁলোকে কিছু পৰিমাণে চৰকাৰৰ নিয়ন্ত্ৰণ, দমন আৰু আঁচনি সমৰ্থন কৰে। কিছুমান প্ৰধান দিশ যেনে— শিক্ষা আৰু স্বাস্থ্য সেৱাৰ ওপৰত।

ভাৰতবৰ্ষত বিখ্যাত সমাজবাদী চিন্তাবিদ ৰামমনোহৰ লোহিয়াই পাঁচধৰণৰ অসমতাক চিনাক্ত কৰিছে যিখিনিৰ বিৰুদ্ধে একেলগে সংঘৰ্ষ কৰাটো প্ৰয়োজন, পুৰুষ আৰু মহিলাৰ মাজত অসমতা, গাৰ ৰঙৰ ভিত্তিত অসমতা, জাতিগত অসমতা, কিছুমান ৰাষ্ট্ৰৰ ওপৰত ঔপনিৱেশিক শাসন আৰু অৱশ্যেই অৰ্থনৈতিক অসমতা। আজি এইটো নিজ প্ৰমাণিত ধাৰণা যেনো লাগিব পাৰে। কিন্তু লোহিয়াৰ সময়ত সমাজবাদীসকলৰ বাবে এইটো যুক্তি দৰ্শাবলৈ উমৈহতীয়া কাৰণ আছিল যে শ্ৰেণীগত অসমতাই হৈছে প্ৰধান অসমতা, যিটোৰ বিৰুদ্ধে সংঘৰ্ষ কৰি থকা হৈছে। অন্যান্য অসমতাৰ কোনো গুৰুত্ব নাছিল আৰু নিজে নিজেই শেষ হৈ গ'লহেঁতেন যদিহে অৰ্থনৈতিক অসমতাক শেষ কৰিব পৰা গ'লহেঁতেন। লোহিয়াই যুক্তি দৰ্শাইছিল যে প্ৰত্যেক অসমতাৰে স্বাধীন মূল আছে আৰু এইবোৰ পৃথকভাৱে আৰু একে সময়তেই যুঁজিব লাগিব। তেওঁ এককভাৱে বিপ্লৱ কৰাৰ কথা কোৱা নাছিল। তেওঁৰ মতে এই পাঁচটা অসমতাৰ বিৰুদ্ধে সংঘৰ্ষই পাঁচটা বিপ্লৱৰ জন্ম দিয়ে। তেওঁ এই তালিকাত আৰু দুটা বিপ্লৱ সাঙুৰি দিছিল ব্যক্তিগত জীৱনত অন্যায়ভাৱে দখল দিয়াৰ বিৰুদ্ধে পৌৰ স্বাধীনতাৰ বাবে বিপ্লৱ আৰু অহিংসাৰ বাবে বিপ্লৱ, সত্যাগ্ৰহৰ বাবে অস্ত্ৰ-শস্ত্ৰ পৰিহাৰ কৰা। এইকেইটা আছিল সাত প্ৰকাৰৰ বিপ্লৱ অথবা সপ্তক্ৰান্তি, যাৰ কাৰণে লোহিয়া সমাজবাদৰ আদৰ্শ আছিল।

হয় অসমতা পৰিবেষ্টিত হ'ব নোৱাৰে আৰু জনসাধাৰণেও তেওঁলোকৰ প্ৰতিভা আৰু প্ৰচেষ্টাৰ বাবে উপযুক্ত পুৰস্কাৰ লাভ কৰিব।

উদাৰনীতিবিদসকলৰ মতে প্ৰতিযোগিতাৰ নীতি হৈছে চাকৰি বা শিক্ষানুষ্ঠানত পদপ্ৰাৰ্থী নিৰ্বাচনৰ আটাইতকৈ সক্ৰিয় আৰু ন্যায়সঙ্গত পদ্ধতি। উদাহৰণস্বৰূপে, আমাৰ দেশত বহুত ছাত্ৰই বৃত্তিমুখী বিষয়ত অন্তৰ্ভুক্ত হ'ব বিচাৰে আৰু ইয়াত সোমোৱাটো উচ্চ প্ৰতিযোগিতামূলক। সময়ে সময়ে চৰকাৰ আৰু আদালতে শিক্ষাব্যৱস্থা নিয়ন্ত্ৰণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰে, যাতে প্ৰত্যেকেই প্ৰতিদ্বন্দ্বিতা কৰিবলৈ সমান আৰু ন্যায়সঙ্গতভাৱে সুবিধা পায়। কিছুমানে তথাপি প্ৰৱেশৰ সুবিধা নাপাব পাৰে। কিন্তু সীমিত আসন ভগোৱাৰ

বাবে ইয়াকে এটা ভাল উপায় হিচাপে গণ্য কৰা হয়।

সমাজবাদীসকলৰ নিচিনাকৈ উদাৰবাদীসকলে ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক অসমতাৰ মাজত প্ৰয়োজনীয় যোগাযোগ আছে বুলি বিশ্বাস নকৰে। তেওঁলোকৰ মতে প্ৰত্যেক দিশতে থকা অসমতাক উপযুক্তভাৱে সমাধান কৰিবলৈ চেষ্টা কৰা উচিত। এইদৰে গণতন্ত্ৰই ৰাজনৈতিক সমতা প্ৰতিষ্ঠা কৰাত সহায় কৰিব পাৰে। কিন্তু অৰ্থনৈতিক অসমতা আৰু সামাজিক বিভিন্নতাৰ সংস্পৰ্শত আহিবলৈ বিভিন্ন আঁচনি পৰিকল্পনা কৰাটো প্ৰয়োজনীয় হ'ব পাৰে। সেইদৰে উদাৰনীতিবিদসকলৰ বাবে অসমতা এটা সমস্যা নহয়। কিন্তু অন্যায় আৰু পৰীক্ষাৰ দ্বাৰা পৰিবেষ্টিত অসমতাবোৰ যিবোৰে ব্যক্তিক নিজৰ সামৰ্থ বিকাশত বাধা দিয়ে।

### ৩.৪ আমি কেনেকৈ সমতাৰ মৰ্যাদা বঢ়াম? (How Can We Promote Equality?)

আমি ইতিমধ্যে সমতাৰ মূল লক্ষ্যত উপনীত হোৱাৰ আটাইতকৈ সঠিক পদ্ধতিৰ ক্ষেত্ৰত সমাজবাদীসকল আৰু উদাৰনীতিবিদসকলৰ মাজত থকা কিছুমান মূল পাৰ্থক্য উল্লেখ কৰিছো। যেতিয়া এই যুক্তিসমূহৰ আপেক্ষিক গুণ আৰু দোষ সম্পৰ্কে গোটেই বিশ্বজুৰি বিতৰ্ক চলিছে, আমি তথাপি গুৰুত্ব দিয়া প্ৰয়োজন সমতা আহৰণৰ বাবে কি নীতি আৰু কৰ্যধাৰা গ্ৰহণ কৰাটো আৱশ্যকীয়। বিশেষভাৱে আমি গুৰুত্ব দিয়াটো প্ৰয়োজন সমতা আহৰণৰ বাবে স্বীকৃতিসূচক কাৰ্য কৰাটো ন্যায়সঙ্গত হ'ব নেকি? এই বিষয়টোৱে বৰ্তমান কালত যথেষ্ট বিবাদৰ সৃষ্টি কৰিছে আৰু আমি তলৰ ভাগসমূহত এই বিষয়টো সম্পৰ্কে আলোচনা কৰিম।

### ৰীতিসিদ্ধ সমতাক প্ৰতিষ্ঠা কৰা (Establishing Formal Equality)

সমতা আহৰণৰ প্ৰথম পদক্ষেপ অৱশ্যেই ৰীতিসিদ্ধ অসমতা আৰু বিশেষ সুবিধাক শেষ কৰা। গোটেই বিশ্বত সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক অসমতাক সুৰক্ষা দিয়ে সমাজৰ ৰীতি-নীতি আৰু আইনগত ব্যৱস্থাই, যিয়ে সমাজৰ কিছুমান শ্ৰেণীক নিশ্চিত প্ৰকাৰৰ সুযোগ আৰু পুৰস্কাৰ উপভোগ কৰাত বাধা দিয়ে। বেছিভাগ ৰাষ্ট্ৰতেই

দুখীয়া শ্ৰেণীৰ লোকক ভোটদানৰ অধিকাৰ প্ৰদান কৰা হোৱা নাছিল। মহিলাসকলক বহুত বৃত্তি আৰু কাৰ্যত অংশগ্ৰহণ কৰিবলৈ দিয়া হোৱা নাছিল। ভাৰতবৰ্ষত থকা জাতিগত ব্যৱস্থাই সমাজৰ নিম্নশ্ৰেণীৰ লোকসকলক শাৰীৰিক পৰিশ্ৰমৰ বাহিৰে আন কাৰ্য কৰাত বাধা প্ৰদান কৰিছিল। বহু ৰাষ্ট্ৰত মাত্ৰ কিছুমান পৰিয়ালৰ মানুহে উচ্চ পদত অধিষ্ঠিত হ'ব পাৰিছিল।

সমতা আহৰণৰ বাবে সকলো ধৰণৰ বাধা আৰু বিশেষ সুবিধা শেষ কৰা উচিত। যিহেতু এই ব্যৱস্থাবোৰৰ বেছিভাগৰে আইনৰ অনুমোদন আছে, সমতাৰ বাবে প্ৰয়োজন চৰকাৰ আৰু ৰাষ্ট্ৰীয় আইনে অসমতাৰ এই ব্যৱস্থাবোৰক সুৰক্ষা দিয়াটো বন্ধ কৰা। এইটোৱেই আমাৰ সংবিধানে কৰিছে। সংবিধানে ধৰ্ম, বংশ, জাতি, লিঙ্গ বা জন্মস্থানৰ ভিত্তিত সকলো ধৰণৰ বৈষম্যতাক বাধা দিছে। আমাৰ সংবিধানে অস্পৃশ্যতাকো নোহোৱা কৰিছে। বেছিভাগ আধুনিক সংবিধান আৰু গণতান্ত্ৰিক চৰকাৰে আনুষ্ঠানিকভাৱে সমতাৰ নীতিক গ্ৰহণ কৰিছে আৰু জনসাধাৰণক জাতি, বংশ, ধৰ্ম আৰু লিঙ্গৰ বিবেচনা নকৰাকৈ আইনৰ দৃষ্টিত সকলোকে একেই আচৰণ কৰাৰ বাবে ইয়াক সংলগ্ন কৰা হৈছে।



### বিভিন্ন আচৰণৰ দ্বাৰা সমতা (Equality Through Different Treatment)

সি যিয়েই নহওক, আনুষ্ঠানিক সমতা বা আইনৰ দৃষ্টিত সমতা প্ৰয়োজনীয়। কিন্তু সমতাৰ নীতিক বাস্তৱত সম্পূৰ্ণ উপলব্ধি কৰাৰ বাবে যথেষ্ট নহয়। কেতিয়াবা জনসাধাৰণক বিভিন্ন ধৰণে আচৰণ কৰাটো প্ৰয়োজনীয় হৈ পৰে। এইটো নিশ্চিত কৰিবৰ বাবে যাতে তেওঁলোকে সমান অধিকাৰ উপভোগ কৰিব পাৰে, তাৰ কাৰণে মানুহৰ মাজত থকা কিছুমান বিভিন্নতাক বিবেচনা কৰিব পৰা যায়। উদাহৰণস্বৰূপে, শাৰীৰিকভাৱে অক্ষম লোকসকলে ৰাজহুৱা স্থানত ন্যায়সঙ্গতভাৱে বিশেষ অনিয়ন্ত্ৰিত স্থান দাবী কৰিব পাৰে যাতে তেওঁলোকে ৰাজহুৱা বাসগৃহত সোমাবলৈ সমানে সুযোগ পায়। অথবা ৰাতি call centreত কাম কৰা মহিলা তেওঁলোকৰ কেন্দ্ৰৰ পৰা অহা-যোৱা কৰাৰ বাবে বিশেষ সুৰক্ষাৰ প্ৰয়োজন, যাতে তেওঁলোকৰ সমান কৰ্মৰ অধিকাৰক সুৰক্ষা দিব পৰা যায়। এইবোৰক সমতাৰ নিয়ম লংঘন কৰা বুলি ধৰিব নালাগে সমতা বৃদ্ধি হোৱা বুলিহে ধৰিব লাগে।

**আমি কৰো আহা**

বিভিন্ন ধৰণৰ শাৰীৰিকভাৱে অক্ষম ছাত্ৰ-ছাত্ৰীয়ে শিকিবৰ বাবে প্ৰয়োজন হোৱা সকলো সা-সুবিধাৰ এখন তালিকা প্ৰস্তুত কৰা। তোমাৰ স্কুলত তাৰে কোনবোৰ সুবিধা আছে?

কেনেকুৱা বিভিন্নতাই সমান সুবিধা পোৱাত বাধা দিয়ে আৰু এই বাধাসমূহ আঁতৰাবৰ বাবে কেনেকুৱা ধৰণৰ নীতি গ্ৰহণ কৰা উচিত— আজি এই প্ৰশ্নসমূহ প্ৰায় সকলো সমাজতে আলোচিত হৈছে। কিছুমান ৰাষ্ট্ৰই সন্মতিসূচক কাৰ্যৰ নীতি গ্ৰহণ কৰিছে যাতে সুযোগৰ সমতাক বৃদ্ধি কৰিব পাৰে অথবা দেশত আমি সংৰক্ষণৰ নীতিক বিশ্বাস কৰো। পিছৰ অংশত আমি সন্মতিসাপেক্ষে কাৰ্যৰ ধাৰণা সম্পৰ্কে বুজিবলৈ প্ৰচেষ্টা চলাম আৰু সীমাৰ ভিতৰত বিশেষ নীতিৰ দ্বাৰা উদ্ভৱ হোৱা কিছুমান ঘটনা বুজিবলৈ চেষ্টা কৰিম।

### সন্মতি সাপেক্ষে কাৰ্য (Affirmative Action)

সন্মতিসাপেক্ষে কাৰ্য— এই ধাৰণাটোৰ ওপৰত প্ৰতিষ্ঠিত আইনৰ দ্বাৰা আনুষ্ঠানিক প্ৰতিষ্ঠা কৰাটো যথেষ্ট নহয়। যেতিয়া আমি গভীৰভাৱে শিপাই থকা অসমতাক নোহোৱা কৰিব বিচাৰো, পৰীক্ষাৰ দ্বাৰা পৰিবেষ্টিত সামাজিক অসমতাক কম কৰিব বা নোহোৱা কৰিবৰ বাবে কিছু বেছিকৈ ইতিবাচক ব্যৱস্থা লোৱাটো প্ৰায়োজন।

সন্মতিসাপেক্ষে কাৰ্য বেছিভাগ নীতি প্ৰস্তুত কৰা হয় যাতে অতীতৰ ক্ৰমবৰ্ধিত অসমতাৰ প্ৰভাৱক শুদ্ধ কৰিব পৰা যায়।

সন্মতিসাপেক্ষে কাৰ্যই বিভিন্ন ৰূপ ল'ব পাৰে, পিছপৰা সম্প্ৰদায়ৰ ক্ষেত্ৰত খৰচ কৰাত, যেনেদৰে শিক্ষানুষ্ঠানত প্ৰৱেশ আৰু চাকৰিৰ ক্ষেত্ৰত ছাত্ৰাবাস আৰু বৃত্তিক বিশেষ গুৰুত্ব দিব লাগে। দেশত আমি শিক্ষা, চাকৰিৰ ক্ষেত্ৰত আনুপাতিক অংশ বা সংৰক্ষণৰ বিশেষ ব্যৱস্থা হাতত লৈছো বঞ্চিত শ্ৰেণীক সমান সুযোগ দিবৰ বাবে আৰু এই বিষয়টো এটা গুৰুত্বপূৰ্ণ বিবাদ আৰু বিতৰ্ক হৈ পৰিছে। কিছুমান গোষ্ঠী সমাজৰ পূৰ্বসংস্কাৰ আৰু বৈষম্যতাৰ বলি হৈছে। ইয়াৰ ভিত্তিত এই নীতিটোক সুৰক্ষা দিব পৰা যায়, যাৰ বাবে তেওঁলোকক বাহিৰত বা পৃথককৈ ৰখা হৈছে। এই সম্প্ৰদায়বোৰ যিবোৰ অতীতত ভুক্তভোগী আছিল আৰু সমান সুবিধাৰ পৰা বঞ্চিত কৰা হৈছিল, খুব সোনকালেই বাকীসকলৰ লগত সমানে প্ৰতিদ্বন্দ্বিতা কৰিব পাৰিব বুলি আশা কৰিব নোৱাৰি। সেই কাৰণে এখন সমতা আৰু ন্যায়ৰ ভিত্তিত প্ৰতিষ্ঠিত সমাজ প্ৰতিষ্ঠাৰ স্বাৰ্থত তেওঁলোকক বিশেষ সুৰক্ষা দিয়াটো আৰু সহায় কৰাটো প্ৰয়োজন।

ধনাত্মক কাৰ্য হিচাপে বিশেষ সহায় আগবঢ়োৱাটো এটা অস্থায়ী আৰু সময়সাপেক্ষে ব্যৱস্থা বুলি ধৰিব পৰা যায়। এইটো ধৰি লোৱা হৈছে যে বিশেষ গুৰুত্ব দিয়া এই সম্প্ৰদায়বোৰক বৰ্তমানে থকা অসুবিধাবোৰ আঁতৰ কৰি বাকীবোৰৰ লগত সমানে প্ৰতিদ্বন্দ্বিতা কৰাত সহায় কৰিব। যদিও ধনাত্মক কাৰ্যৰ নীতিয়ে সমাজখন বেছি সমানভাৱে প্ৰতিষ্ঠা কৰাত সহায় কৰে। বহুতো তত্ত্ববিদে ইয়াৰ বিৰুদ্ধে যুক্তি দৰ্শাইছে। তেওঁলোকে প্ৰশ্ন উঠাইছে যদি জনসাধাৰণক বিভিন্ন ধৰণে আচৰণ কৰা হয় বেছি সমতা প্ৰতিষ্ঠা হ'ব নেকি?

ইতিবাচক বৈষম্যতাৰ সমালোচকসকলে বিশেষকৈ সংৰক্ষণ নীতিৰ বিৰুদ্ধে যুক্তি দৰ্শাবলৈ সমতাৰ নীতিক আহ্বান জনায়। তেওঁলোকে বিবাদ কৰে যে বঞ্চিত শ্ৰেণীৰ উচ্চ শিক্ষা বা চাকৰিৰ ক্ষেত্ৰত যিকোনো ধৰণৰ সংৰক্ষণ বা আনুপাতিক অংশ অন্যায়। কাৰণ ই স্বেচ্ছাচাৰীভাৱে সমাজৰ আন শ্ৰেণীক সম অধিকাৰৰ পৰা

“ ”
**আলোচনা কৰো আহা**

অনুসূচিত জাতি আৰু জনজাতিৰ বাবে ধনাত্মক কাৰ্যৰ নীতিসমূহ ব্যক্তিগত শিক্ষানুষ্ঠানত নাম ভৰ্তি কৰণৰ ক্ষেত্ৰত বৃদ্ধি কৰা উচিত।

বঞ্চিত কৰে। তেওঁলোকৰ মতে সংৰক্ষণ হৈছে বিপৰীত বৈষম্যৰ এটা ৰূপ আৰু তেওঁলোকে ব্যৱস্থাটো চলায়েই আছে, যাৰ বাবে সমতাৰ নীতিৰ ওপৰত প্ৰশ্ন উঠে আৰু বাদ দিয়া হয়। সমতাই সকলো মানুহক একে আচৰণ কৰাটো বিচাৰে আৰু যেতিয়া আমি ব্যক্তিৰ মাজত জাতি বা বৰ্ণৰ ভিত্তিত পাৰ্থক্য নিৰ্ণয় কৰো আমি সম্ভৱ জাতি বা বংশগত পূৰ্বসংস্কাৰক পুনৰ শক্তিশালী কৰোঁ। এই তত্ত্ববিদসকলৰ বাবে গুৰুত্বপূৰ্ণ কথাটো হ'ল, সমাজত বিভাজনৰ সৃষ্টি কৰিব পৰা বিভিন্নতা সমূহৰপৰা আঁতৰি অহা।

এই বিবাদৰ পটভূমিত ৰাষ্ট্ৰীয় নীতিৰ আধাৰ হিচাপে সমতা আৰু জনসাধাৰণৰ সমান অধিকাৰৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰাটো প্ৰাসঙ্গিক হ'ব। শিক্ষানুষ্ঠানসমূহত নামভৰ্ত্তিকৰণ আৰু ৰাজহুৱা খণ্ডত নিয়োগৰ ক্ষেত্ৰত জনসাধাৰণৰ সমানেই গুৰুত্ব পোৱাৰ অধিকাৰ আছে। কিন্তু প্ৰতিযোগিতা নিৰপেক্ষ হোৱা উচিত। কেতিয়াবা যেতিয়া সীমিত আসন বা চাকৰিৰ বাবে প্ৰতিযোগিতা হয়। তেতিয়া পিছপৰা বঞ্চিত শ্ৰেণীৰ মানুহৰ অসুবিধা হয়। প্ৰথম পুৰুষ শিকাৰুসকলৰ পিতৃ-মাতৃ বা পূৰ্বপুৰুষসকল অশিক্ষিত আছিল বাবে তেওঁলোকৰ পৰিৱেশ আৰু প্ৰয়োজনবোৰ শিক্ষিত পৰিয়ালত জন্মগ্ৰহণ কৰাসকলতকৈ সম্পূৰ্ণ বেলেগ। বাহিৰত ৰখা গোষ্ঠীসমূহ, তেওঁলোক দলিতেই হওক বা মহিলাই হওক বা আন যিকোনো শ্ৰেণীৰ লোকেই হওক তেওঁলোকৰ কিছুমান বিশেষ সুবিধা প্ৰয়োজনীয় আৰু প্ৰাপ্যও। এইখিনি দিবৰ বাবে ৰাষ্ট্ৰই সামাজিক নীতি নিৰ্ধাৰণ কৰিব লাগিব। যিখিনিয়ে সেই মানুহখিনি সমান হোৱাত সহায় কৰিব আৰু তেওঁলোকক, বাকীবোৰৰ লগত সমানে প্ৰতিদ্বন্দ্বিতা কৰাৰ এটা নিৰপেক্ষ সুযোগ দিব।

আচলতে কথাটো হ'ল ভাৰতবৰ্ষই বঞ্চিতসকলৰ শিক্ষা আৰু স্বাস্থ্যৰ ক্ষেত্ৰত তেওঁলোকৰ যিখিনি প্ৰাপ্য তাতকৈ বহুত কমকৈ কাম কৰিছে। স্কুলৰ শিক্ষাৰ ক্ষেত্ৰত অসমতা স্পষ্ট। গাঁও অঞ্চল আৰু চহৰ অঞ্চলৰ বহুত দুখীয়া ল'ৰা-ছোৱালীয়ে স্কুললৈ যাবলৈ সুবিধা নাপায়। যদি তেওঁলোকে সুবিধা পায়ো, সেই স্কুলবোৰৰ দিব লগা একোৱেই নাথাকে, যিখিনি সৰ্বোৎকৃষ্ট শ্ৰেণীৰ লোকৰ স্কুলৰ লগত তুলনা কৰিব পাৰি। যি অসমতা লৈ শিশুসকলে প্ৰৱেশ কৰে ইয়ে তেওঁলোকৰ গুণসমূহ বিকাশ কৰি ভাল চাকৰি সুযোগৰ ক্ষেত্ৰত ধাৰাবাহিকভাৱে কৰি থাকে। এই ছাত্ৰ-ছাত্ৰীসকলে সৰ্বোৎকৃষ্ট বৃত্তিমুখী পাঠ্যক্ৰমত প্ৰৱেশৰ ক্ষেত্ৰত বাধ্যপ্ৰাপ্ত হয়। কাৰণ বিশেষ পৰিশীলনৰ বাবে তেওঁলোকৰ অৰ্থৰ অভাৱ। এই বৃত্তিমুখী পাঠ্যক্ৰমসমূহৰ মাচুলো বৰ বেছি উচ্চ নিৰিখৰ। ফলস্বৰূপে তেওঁলোকে বেছি

বিশেষ সুবিধাভোগী শ্ৰেণীৰ সমানে প্ৰতিদ্বন্দ্বিতা কৰিব নোৱাৰে।

এনেকুৱা ধৰণৰ সামাজিক আৰু অৰ্থনৈতিক অসমতাই সমান সুযোগ আহৰণত বাধা দিয়ে। বেছিভাগ তত্ত্ববিদে আজি এইটোক স্বীকৃতি দিছে। সমান সুবিধা পোৱাৰ লক্ষ্যত উপনীত হ'বৰ বাবে তেওঁলোকে প্ৰতিদ্বন্দ্বিতা নকৰে, কিন্তু লক্ষ্যত উপনীত হ'বৰ বাবে কি নীতি গ্ৰহণ কৰা উচিত। ৰাষ্ট্ৰই বঞ্চিত শ্ৰেণীৰ বাবে আসন সংৰক্ষণ কৰা উচিত নেকি অথবা তেওঁলোকক বিশেষ সুবিধা দিব লাগে নেকি যিয়ে তেওঁলোকক আগৰ যুগতকৈ বেছি প্ৰতিভা আৰু পাৰদৰ্শিতা বিকাশ কৰাত সহায় কৰে? কোনসকল বঞ্চিত আমি কেনেকৈ সঠিকভাৱে ব্যাখ্যা কৰিম? বঞ্চিতসকলক চিনাক্ত কৰাৰ বাবে আমি অৰ্থনৈতিক নিৰ্ণয়ক ব্যৱহাৰ কৰা উচিত নেকি, অথবা আমাৰ দেশত জাতি ব্যৱস্থাই সৃষ্টি কৰা সামাজিক অসমতাক আমি ব্যৱহাৰ কৰিব পাৰো নেকি বঞ্চিত গোষ্ঠীক চিনাক্তকৰণৰ ভেটি হিচাপে? এইবোৰ হৈছে সামাজিক নীতিৰ দিশ, যিবোৰৰ ওপৰত আজি বিবাদ হৈছে। সৰ্বশেষত আমি যিবোৰ নীতি পচন্দ কৰিছো সেইবোৰৰ ন্যায়সংগত কৰিব লাগিব সমাজখনক সকলোৰে বাবে সমান আৰু ভাল সমাজ হিচাপে প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত ইয়াক সফল কৰি।

সমতাৰ বিষয়টো প্ৰতিফলিত কৰিবলৈ যাওঁতে এটা পাৰ্থক্য নিৰ্ণয় কৰিব লাগে। প্ৰত্যেককে একেধৰণে আচৰণ কৰা আৰু প্ৰত্যেককে সমানভাৱে আচৰণ কৰাৰ মাজত। শেষোক্তটোৰ ক্ষেত্ৰত সময়ে সময়ে বিভিন্ন আচৰণৰ প্ৰয়োজন হ'ব পাৰে। কিন্তু তেনেকুৱা সকলো ক্ষেত্ৰতেই সমতাৰ মৰ্যদা বৃদ্ধি কৰাটোৱেই প্ৰধান গুৰুত্ব লাভ কৰে। সমতাৰ মূল লক্ষ্যত উপনীত হোৱাৰ বাবে বিভিন্ন বা বিশেষ আচৰণক বিবেচনা

### ভাবি চাওঁ আহা

তলৰ পৰিস্থিতিটো বিচাৰ কৰা। তলৰ যিকোনো এটা ক্ষেত্ৰতে বিশেষ বা বিভিন্ন ধৰণৰ আচৰণ ন্যায়সংগত হৈছে নেকি?

- ❒ কৰ্মৰত মহিলাই মাতৃত্ব লাভৰ ছুটী পোৱা উচিত।
- ❒ এখন স্কুলে দুজন অন্ধ ছাত্ৰৰ বাবে বিশেষ সা-সৰঞ্জাম কিনাত খৰচ কৰা উচিত।
- ❒ গীতাই দক্ষতাৰে বাস্কেটবল খেলে। সেইকাৰণে স্কুল কৰ্তৃপক্ষই

তাইৰ এই পাৰদৰ্শিতা আৰু বৃদ্ধি কৰিবৰ বাবে বাস্কেটবল ক'ৰ্ট সাজি দিব লাগে।

❒ জিতৰ পিতৃ-মাতৃয়ে সি স্কুললৈ টাৰবান পিন্ধি যোৱাটো বিচাৰে, ইৰফানৰ পিতৃ-মাত-মাতৃয়ে সি শুক্রবাৰে আবেলি প্ৰাৰ্থনা কৰাটো বিচাৰে, সেইকাৰণে স্কুল কৰ্তৃপক্ষই জিতক ক্রিকেট খেলাৰ সময়ত হেলমেট পিন্ধিবলৈ আৰু ইৰফানক শুক্রবাৰে ৰাহি ক্লাছ কৰিবলৈ ৰৈ যাবলৈ কোৱা উচিত নহয়।

কৰিব পৰা যায়, কিন্তু ইয়াক ন্যায়সংগতভাৱে আৰু সাৱধানে প্ৰতিফলিত কৰাটো প্ৰয়োজন। যিহেতু বিভিন্ন সম্প্ৰদায়ক বিভিন্ন আচৰণ কৰাটো জাতিভেদ প্ৰথা আৰু বৰ্ণবৈষম্য নীতিৰ এটা অপৰিহাৰ্য অঙ্গ আছিল, একেধৰণে আচৰণ কৰাৰ আদৰ্শৰ পৰা বিপথে যোৱা ক্ষেত্ৰত সচৰাচৰ উদাৰনীতিবিদসকল বৰ সাৱধান।

সমতা অনুসৰণৰ লগত জড়িত এনেকুৱা বহুতো ঘটনা মহিলা আন্দোলনবোৰে তুলি ধৰিছে। ঊনৈশ শতিকাত সমান অধিকাৰৰ বাবে মহিলাসকলে সংগ্ৰাম কৰিছিল। তেওঁলোকে সমাজত পুৰুষৰ সমানে অধিকাৰ দাবী কৰিছিল। উদাহৰণস্বৰূপে ভোটদানৰ অধিকাৰ, মহাবিদ্যালয় আৰু বিশ্ববিদ্যায়লত উপাধি লাভ কৰাৰ অধিকাৰ আৰু কৰ্মৰ অধিকাৰ। তথাপি, যেতিয়া তেওঁলোকে চাকৰিৰ বজাৰত সোমাইছিল তেওঁলোকে বুজি পাইছিল যে এই অধিকাৰসমূহ ভোগ কৰিবৰ বাবে মহিলাসকলক বিশেষ সুবিধাৰ প্ৰয়োজন। উদাহৰণস্বৰূপে, মাতৃত্বৰ ছুটীৰ বাবে তেওঁলোকৰ কিছুমান ব্যৱস্থাৰ প্ৰয়োজন আৰু কৰ্ম্মস্থালীত শিশু নিৰাসৰ প্ৰয়োজন। এনেকুৱা ধৰণৰ বিশেষ ব্যৱস্থাৰ অবিহনে তেওঁলোকে চাকৰিৰ বাবে আন্তৰিকতাৰে প্ৰতিদ্বন্দ্বিতা কৰিব নোৱৰিলেহেঁতেন আৰু এটা সফল বৃত্তিমুখী আৰু ব্যক্তিগত জীৱন উপভোগ কৰিব নোৱাৰিলেহেঁতেন। অন্যহাতে পুৰুষৰ দৰে একে অধিকাৰ উপভোগ কৰিবলৈ হ'লে কেতিয়াবা তেওঁলোকে পৃথকভাৱে আচৰণ কৰাটো বিচাৰে।

যেতিয়া আমি সফলতাৰ বিষয়বোৰ গভীৰভাৱে চিন্তা কৰো আৰু পৰীক্ষা কৰি চাওঁ, বিশেষ ঘটনাত বিভিন্ন আচৰণ সমৰ্থনযোগ্য নেকি আমি নিজকে একেৰাহে প্ৰশ্ন কৰাটো প্ৰয়োজন যে বিভিন্ন আচৰণ কৰাটো প্ৰয়োজন এটা শ্ৰেণীৰ মানুহে সমাজৰ আন সকলো মানুহৰ সৈতে একে অধিকাৰ উপভোগ কৰাটো নিশ্চিত কৰিবৰ বাবে। তথাপি

এইক্ষেত্ৰত যথেষ্ট সাৱধানতা প্ৰয়োগ কৰিব লাগে, যাতে বিভিন্ন আচৰণে শোষণ আৰু দমনৰ নতুন গাঁথনিৰ জন্ম নিদিয়ে অথবা কিছুমান শক্তিশালী গোষ্ঠীৰ সমাজত বিশেষ সুবিধা আৰু ক্ষমতা বিচৰাৰ ই যাতে এটা মাধ্যম নহয়। বিভিন্ন আচৰণ অভিপ্ৰেত আৰু ন্যায়সংগত কেৱল সমান আৰু ন্যায়সংগত সমাজৰ মৰ্যাদা বৃদ্ধিৰ এটা মধ্যম হিচাপে।

## ? অনুশীলনী

১. কিছুমানে যুক্তি দৰ্শায় যে অসমতা প্ৰাকৃতিক। আনহাতে আন কিছুমানে দৃঢ়তাৰে কয় যে সমতাহে প্ৰাকৃতিক আৰু আমি আমাৰ চাৰিওফালে লক্ষ্য কৰা অসমতাবোৰ সমাজৰ সৃষ্টি। তুমি কোনটো মতক সমৰ্থন কৰা? যুক্তি দৰ্শোৱা।

২. এটা মত আছে যে চৰম অৰ্থনৈতিক সমতা সম্ভৱো নহয়, বিচাৰিবও নোৱাৰি। এইটো যুক্তি দৰ্শোৱা হয় যে সমাজে খুব বেছি কৰিব পৰাখিনি হ'ল যে সমাজত থকা ধনী আৰু দুখীয়া লোকৰ মাজত থকা ব্যৱধানখিনি কমাবলৈ চেষ্টা কৰিব পাৰে। তুমি সন্মতনে?

৩. তলৰ ধাৰণাসমূহ উপযুক্ত উদাহৰণৰ সৈতে মিলোৱা ঃ

| | |
|---|---|
| (ক) ইতিবাচক কাৰ্য | (i) প্ৰত্যেক প্ৰাপ্তবয়স্ক নাগৰিকৰে ভোটদানৰ অধিকাৰ আছে। |
| (খ) সুযোগৰ সমতা | (ii) বেংকে জ্যেষ্ঠ নাগৰিকক বেছি হাৰত সুদ দিব বিচাৰে। |
| (গ) সম-অধিকাৰ | (iii) প্ৰত্যেক শিশুৱেই বিনামূলীয়া শিক্ষা পোৱা উচিত। |

৪. কৃষকৰ সমস্যাৰ ওপৰত এটা চৰকাৰী প্ৰতিবেদনত কৈছে যে ক্ষুদ্ৰ আৰু দুখীয়া কৃষকে বজাৰৰ পৰা ভাল মূল্য পাব নোৱাৰে। ই পৰামৰ্শ দিয়ে যে চৰকাৰে ক্ষুদ্ৰ আৰু দুখীয়া কৃষকে ভাল মূল্য পোৱাটো নিশ্চিত কৰিবৰ বাবে হস্তক্ষেপ কৰা উচিত। এই পৰামৰ্শটো সমতাৰ নীতিৰ সৈতে সামঞ্জস্যপূৰ্ণনে?

# ৰাজনৈতিক তত্ত্ব

৫. তলৰ কোনবোৰে সমতাৰ নীতি ভঙ্গ কৰিছে? আৰু কিয়?

(ক) প্ৰত্যেক শিশুৱে ক্লাছত নাটকৰ মূল অংশ সলাই পঢ়িব।

(খ) কানাডাৰ চৰকাৰে বগা ইউৰোপীয়সকলক দ্বিতীয় বিশ্বযুদ্ধৰ পিছৰ পৰা ১৯৬০ চনলৈ প্ৰব্ৰজন কৰিবলৈ উৎসাহিত কৰিছিল।

(গ) জ্যেষ্ঠ নাগৰিকৰ বাবে ৰে'লৰ আসন সংৰক্ষণৰ এটা পৃথক বিভাগ আছে।

(ঘ) কিছুমান জনজাতীয় সম্প্ৰদায়ৰ বাবে কিছুমান বনাঞ্চলত সোমোৱাটো সংৰক্ষিত কৰা হৈছে।

৬. মহিলাৰ ভোটাধিকাৰৰ সপক্ষে ইয়াত কিছুমান যুক্তি আগবঢ়োৱা হৈছে। ইয়াৰ কোনবোৰ সমতাৰ আদৰ্শৰ সৈতে সংগতিপূৰ্ণ? যুক্তি আগবঢ়োৱা।

(ক) মহিলাসকল আমাৰ মাতৃ। আমি আমাৰ মাতৃসকলক তেওঁলোকৰ ভোটাধিকাৰ অস্বীকাৰ কৰি অসন্মান কৰিব নালাগে।

(খ) চৰকাৰৰ সিদ্ধান্তই পুৰুষৰ লগে লগে মহিলাৰ ওপৰতো প্ৰভাৱ পেলায়, সেইকাৰণে নেতাসকলক নিৰ্বাচন কৰোঁতে তেওঁলোকৰে মতামতৰ অধিকাৰ থকা উচিত।

(গ) মহিলাক ভোটাধিকাৰ প্ৰদান নকৰিলে ই পৰিয়ালত অনৈক্যৰ সৃষ্টি কৰিব।

(ঘ) মানৱ সমাজৰ আধাসংখ্যক মহিলা। তেওঁলোকৰ ভোটাধিকাৰ অস্বীকাৰ কৰি তুমি তেওঁলোকক বহু দিনলৈ বশীভূত কৰি ৰাখিব নোৱাৰিবা।

অনুশীলনী